জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তম বছৰ, সংখ্যা ৩০৬ ● বৃহস্পতিবাৰ ● ৩২ আহাৰ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday July 17, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ প...

চেণ্ট পিটাৰ্ছবাৰ্গত সাহিত্য সভাৰ মৈত্ৰীবন্ধন, দ্য কুইষ্টৰ প্ৰতিনিধিক আদৰণি

ৰ্‌ব্ৰীকছ, চেম্বাৰ্ছ অব কমাৰ্চৰ প্ৰতিনিধিৰে আলোচনা



## ৭০ হাজাৰৰ ঠাইত ১০ হাজাৰহে সংস্থাপন

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৬ জুলাই ঃ ৰাছিয়াৰ সাংস্কৃতিক ৰাজধানী ৰূপে খ্যাত চেণ্ট পিটাৰ্ছবাৰ্গত অসমৰ পৰা যোৱা এটা পৰ্যটক দলক আদৰণি জনোৱা হয়। লেনিন গ্ৰেড আঞ্চলিক চেম্বাৰ্ছ অব্ কমাৰ্চ এণ্ড ইণ্ড্ৰাষ্টিজৰ সভাকক্ষত ১৫ জুলাইত 'শিক্ষা, উন্নয়ন আৰু মানৱ মূলধন' শীৰ্ষক এক গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। চেম্বাৰ্ছ অব্ কমাৰ্চৰ লগত আন এটা প্ৰতিষ্ঠানৰ উপ-সঞ্চালক Alexey Zimin-এ শুভাৰম্ভ কৰা আলোচনাত তেওঁ কয়— এনে কাৰ্যসূচীয়ে অসমৰ লগতে ভাৰতবৰ্ষ আৰু ৰাছিয়াৰ মাজত থকা বন্ধুত্ব আৰু মৈত্ৰীবন্ধন অধিক কটকটীয়া কৰিব। তেওঁ সকলোকে অসম-ৰাছিয়াৰ মাজত বন্ধন অধিক কটকটীয়া কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পিছতে সকলোৰে পৰিচয় ব্যক্ত কৰা হয়। North-Western Open Technical University-ৰ তৰফৰ পৰা Denis Davdov এ কয়— ভাৰতৰ বাবে ৰাছিয়াই বন্ধুত্বৰ চিন স্বৰূপে সকলো দিশতে পথ মুকলি ৰাখিছে। তেওঁ কয় বিভিন্ন দক্ষ, অভিজ্ঞ পৰামৰ্শদাতাৰ ৰূপত ভাৰতৰ পৰা বছৰি ১১ পিঠিলৈ

মেৰাপানী ঃ নিজা বাতৰি দিওঁতা, ১৬ জুলাই ঃ অবৈধ বেদখলকাৰীয়ে গোলাঘাটজিলাৰ জনগাঁথনিৰ পৰিৱৰ্তন ঘটোৱা বুলি মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছত এতিয়া মেৰাপানী নেঘেৰিবিলত উচ্ছেদৰ আতংকই বাহ লৈছে। ৰাজ্যজুৰি অবৈধভাৱে ভূমি বেদখলকৈ উচ্ছেদ অভিযান চলি থকাৰ মাজতে একাংশ দল- সংগঠনৰ অভিযোগৰ ভিত্তিত গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ নেঘেৰিবিলতো উচ্ছেদ চলোৱাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে বিভাগক জৰীপ কৰাৰ বাবে আহ্বান জনাব বুলি সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছতে হাহাকাৰ অৱস্থা সৃষ্টি হৈছে নেঘেৰিবিল গাঁৱত। অসম-নগালেণ্ড সীমান্ত মেৰাপানীৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলা সন্দৰ্ভত সংবাদ মাধ্যমত চৰ্চা চলি থকাৰ পৰিপ্ৰেক্ষিতত গাঁওখনৰ লোকসকলৰ মাজত বিৰাজ কৰিছে তীব্ৰ আতংকই। মুখ্যমন্ত্ৰী ১১ পিঠিলৈ

তেজপুৰত চিকিৎসকক প্ৰহাৰ ■ বেছেৰীয়া চিকিৎসালয়ত ৰাজহুৱা প্ৰতিবাদী সভা

## ক'লা বেজ পৰিধান কৰি চিকিৎসক, চিকিৎসাকৰ্মীৰ প্ৰতিবাদ

তেজপুৰ ঃ বিশেষ প্ৰতিনিধি, ১৬ জুলাই ঃ তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ত চিকিৎসক-চিকিৎসা কৰ্মীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। বেছেৰীয়াত এগৰাকী চিকিৎসকক দুদিন পূৰ্বে এজন যুৱকে কৰা আক্ৰমণৰ প্ৰতিবাদত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ কৰে। চৰকাৰী চিকিৎসালয়ত কৰ্মৰত চিকিৎসক-চিকিৎসা কৰ্মীসকলৰ ১১ পিঠিলৈ





## নলবাৰীৰ নৱদ্বীপ হস্পিটেলত ৰোগীৰ মৃত্যুক লৈ উত্তপ্ত পৰিস্থিতি

ভুল চিকিৎসাত যুৱকৰ মৃত্যু হোৱাৰ অভিযোগ

নলবাৰী ঃ নিজা প্ৰতিবেদক, ১৬ জুলাই ঃ নলবাৰীৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় নৱদ্বীপ হস্পিটেলত এগৰাকী ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি ১১ পিঠিলৈ

জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বংশতিতম বছৰ, সংখ্যা ৩০৬ ● বৃহস্পতিবাৰ ● ৩২ আহাৰ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday July 17, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁ

## মেঘালয়ৰ দঃ গাৰোপাহাৰত...

নাগৰিকক আটক কৰাৰ লগতে ৪টা ভাৰতীয় দালালক গ্ৰেপ্তাৰ কৰিছে। প্ৰাপ্ত বাতৰি মতে, ধৃত চাৰি ভাৰতীয় দালালৰ সহযোগত বাংলাদেশী নাগৰিককেইগৰাকী চুবুৰীয়া ৰাষ্ট্ৰখনৰ পৰা উন্মুক্ত সীমান্তইদি মেঘালয় হৈ ভাৰতত প্ৰৱেশ কৰে। দালালকেইটাৰ সহযোগতে একেলগে পুৱাখাচিয়া আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী এলেকাৰ পৰা ১২ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বাৰেংগাপাৰা অভিমুখে গৈ থকা অৱস্থাত পাহাৰীয়া এলেকাত ২২ নং বেটেলিয়ন বি এছ এফ বাহিনীয়ে বাংলাদেশী নাগৰিককেইগৰাকীক আটক কৰে। গোপন সূত্ৰৰ ভিত্তিত বি এছ এফে বাংলাদেশী নাগৰিককেইগৰাকীক আটক কৰাৰ লগতে একেলগে থকা চাৰি ভাৰতীয় দালালকো আটক কৰে। ইতিমধ্যে বাংলাদেশী নাগৰিককেইগৰাকীৰ লগতে দালাল চাৰিওটাক পুৱাখাচিয়া আৰক্ষীক গতাই দিয়াত আৰক্ষীয়ে দালালকেইটাক গ্ৰেপ্তাৰ কৰাৰ লগতে বাংলাদেশী নাগৰিকসকলক জেৰা অব্যাহত ৰাখিছে। ধৃত ২৬ অবৈধ বাংলাদেশী নাগৰিকৰ ভিতৰত ৩ গৰাকী মহিলা আৰু দুটি ৩ বছৰীয়া কন্যা সন্তান আছে। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত শ্বেখ হাছিনা চৰকাৰৰ পতনৰ পাছৰে পৰা অসম, পশ্চিম বংগ, ত্ৰিপুৰা আৰু মেঘালয় সীমান্তইদি জাকে জাকে বাংলাদেশী নাগৰিক অবৈধভাৱে ভাৰতত প্ৰৱেশৰ চেষ্টা চলায়। ইতিমধ্যে মানকাচৰকে ধৰি মেঘালয়ত প্ৰায় শতাধিক বাংলাদেশী নাগৰিকক আটক কৰি ওভতাই পঠোৱা হৈছে। মেঘালয়ত ৪৪৩ কিল'মিটাৰ ভাৰত-বাংলাদেশ সীমান্তৰ ভিতৰত ৪৯.২১৬ কিল'মিটাৰ এলেকা উন্মুক্ত। উন্মক্ত সীমান্তৰ সুযোগ লৈ অবৈধ বাংলাদেশীসকলে ভাৰতীয় দালালৰ সহযোগত ভাৰতলৈ প্ৰৱেশ কৰি দেশৰ বিভিন্ন ৰাজ্যত শ্ৰমিক হিচাপে নিয়োজিত হৈ আহিছে।

## খিলঞ্জীয়াৰ ভোগদখলীকৃত...

অভিযোগ তুলি গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা, মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী কমিটীয়ে দুধনৈত এখন সংবাদমেল অনুষ্ঠিত কৰে। ষড়যন্ত্ৰৰে মাটি নামজাৰি কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিয়ে। আজি দুধনৈস্থিত গোৱালপাৰা ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভাই

## ৭০ হাজাৰৰ ঠাইত...

প্ৰায় ৭০ হাজাৰ লোকৰ বাবে সংস্থাপনৰ বাট মুকলি কৰি ৰাখিছে। ইয়াৰে মাত্ৰ ১০ হাজাৰমান লোকৰ অভাৱ ইতিমধ্যে পূৰণ কৰিব পাৰিছে। ৰাছিয়াত ভাৰতৰ বাবে অধিকৰ পৰা অধিক সংস্থাপনৰ বাট এতিয়াও মুকলি হৈ আছে। আলোচনাত অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহবায়ক ড° শশীকান্ত শইকীয়া, কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, বিশিষ্ট সাহিত্যিক, কবি ড° বলেন্দ্ৰ কুমাৰ দাসে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই প্ৰসংগত ড° বলেন্দ্ৰ কুমাৰ দাসে কয় যে— অসমৰ যুৱক-যুৱতী, অৱসৰপ্ৰাপ্ত দক্ষ ব্যক্তিয়ে ৰাছিয়াৰ এনে কাৰ্যসূচীৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰে। BRICS মহাসংঘৰ, Chambers of Commerce-ৰ কেইবাখনো বিশ্ববিদ্যালয়, নতুন দিল্লীৰ The Quest আৰু অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধনৰ উদ্যোগত অনুষ্ঠিত হোৱা এই আলোচনাত The Quest-ৰ মুখ্য কাৰ্যবাহী বিষয়া তৰু বাহালে অংশগ্ৰহণকাৰী সকলোকে ধন্যবাদ জনায়। বৈঠকত অসম সাহিত্য সভাৰ আন্তঃৰাজ্যিক বিদেশ মৈত্ৰীবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতাই কয়— ভাৰতৰ অন্যতম বন্ধু দেশ ৰাছিয়াই ভাৰতৰ শিক্ষা, চিকিৎসা, ব্যৱসায়, পৰ্যটন, সাহিত্য উত্তৰণৰ বাবে আন বিভিন্ন দিশত কাৰ্যসূচী গ্ৰহণ কৰিছে। বিশেষকৈ সংস্থাপনৰ সুযোগ গ্ৰহণ কৰিব পাৰে বুলি অসমৰ নিবনুৱাসকলক এনে সুযোগ গ্ৰহণ কৰিবলৈ তেওঁ আহবান জনায়। ড° কলিতাই কয় এই প্ৰসংগত আৰু কয় অতীজৰ পৰা বৰ্তমানলৈকে ভাৰত আৰু ৰাছিয়াৰ মাজত এক ঐতিহাসিক সম্পৰ্ক আছে। তেওঁ কয় যে অসমৰ যুৱক-যুৱতীসকলে ৰাছিয়ান ভাষা-সাহিত্য চৰ্চাৰ মাজেদি সংস্থাপনৰ বাট মোকলাব পাৰে। এই ক্ষেত্ৰত ৰাছিয়াই লোৱা পদক্ষেপক তেওঁ প্ৰশংসা কৰে। আলোচনাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হৰি শংকৰ কাকতি, বি কে বি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভুপেন শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অমলেশ দত্ত, সন্দিকৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা লেখা দত্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা কবৰী গোস্বামী, লেখক শিৱানন্দ কাকতি, বিশিষ্ট চিকিৎসক গৌতম গোস্বামী, লেখক মাধৱজ্যোতি দেউৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, অপৰাজিতা বৰকটকী, অঞ্জলী বৰঠাকুৰ, ভদ্ৰা ফুকনকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

## চেঙাৰ বৌমাৰীত ...

আলী, দিলীপ আলী, কেৰামত আলী, ফাইজুৰ ৰহমান, খয়বৰ আলী, চাহা উদ্দিন, আছিৰন নেছা, আবুল হুছেইন, ধনী মিয়া, জহুৰা বেৱা, আফাজ উদ্দি, ৰহিতন নেছা, কাঞ্চনমালা, শুকুৰ আলী, জংছেৰ আলী, পানছোনা বে কুৰবান আলী, আৰফান আলী, বুইদা মিয়া, কুৰ্জত আলী, জোনাব আলী ছৰ্বত আলী, বেগম খাতুন, মুক্তাৰ আলী, ছালাম আলী, বৰহান আলী, নু মহম্মদ, নজৰুল আলী, ৰহিমা খাতুন, জামাল আলী, কাছেম আলী, পিয় আলী, দিলবৰ আলীকে ধৰি বহুলোকৰ বাসগৃহ ইতিমধ্যেই লুইতৰ বুকু জাহ গৈছে বুলি জানিবলৈ দিয়ে বৌমাৰী পাথাৰ গাঁৱৰ গাঁওপ্ৰধান আমিনু হকে। ছাহজাহান আলীয়ে কিছুদিন পূৰ্বে নিজৰ পকীঘৰ ভাঙি অন্যস্থানলৈ স্থানান্তৰ কৰিছে। ইয়াৰ উপৰি বহুলোকে নিজৰ নিজৰ বাসগৃহ নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিছে বুলি জানিব পৰা গৈছে। আনহাতে কেইবাটাও বাসগৃহ ত সামাজিক অনুষ্ঠান, শিক্ষানুষ্ঠান আদিলৈও আহিছে ভাবুকি। এসপ্তাহ পূ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল ১৬৪ নং বৌমাৰী পাথাৰ নদীৰপাৰ অংগনৱাড় কেন্দ্ৰটো। নৈপৰীয়া ৰাইজৰ এতিয়া জীৱন- জীৱিকাৰ প্ৰতিও ভাবুকি আ পৰিছে। ১৯৩০ চনত স্থাপিত বৌমাৰী পাথাৰ জামে মছজিদ, ১৯৫০ চন স্থাপিত ৬৫৩ নং বৌমাৰী পাথাৰ প্ৰাথমিক বিদ্যালয়, ১৯৫৪ চনত স্থাপি বৌমাৰী পাথাৰ সমাজ সেৱক লাইব্ৰেৰী, ১৯৮৩ চনত স্থাপিত দানেছ আ এম ই স্কুল, ১৯৮৮ চনত স্থাপিত বৌমাৰী পাথাৰ হাইস্কুল, ১৯৮৮ চন স্থাপিত উত্তৰ বৌমাৰী পাথাৰ আঞ্চলিক প্ৰাথমিক বিদ্যালয়, দক্ষিণ পশ্চি বৌমাৰী পাথাৰ প্ৰাথমিক বিদ্যালয়, ২০০০ চনত স্থাপিত বাইতুল আজি জামে মছজিদ, ৩১ নং বৌমাৰী পাথাৰ অংগনৱাড়ী কেন্দ্ৰ, ৩২নং বৌমা পাথাৰ অংগনৱাড়ী কেন্দ্ৰ, ৮৮ নং বৌমাৰী পাথাৰ অংগনৱাড়ী কেন্দ্ৰকে ধ বিভিন্ন সামাজিক, ধৰ্মীয় আৰু শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আহিছে তী ভাবুকি। চেঙা বিধানসভা সমষ্টিৰ অন্তৰ্গত হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদ আলী আহমেদৰ বাসগৃহলৈও আহিছে ভাবুকি। বিগত পঞ্চায়ত নিৰ্বাচন বিজেপি দলৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰি জিলা পৰিষদৰ সদস্য পদত জয়লা কৰা হাইদৰ আলী আহমেদে খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহ কৰে সেয়া সময়ত লক্ষণীয় হ'ব। ব্ৰহ্মপুত্ৰৰ খহনীয়াই এইদৰে কালৰূপ ধা কৰি থাকিলে খুব কম সময়ৰ ভিতৰতে বৌমাৰী পাথাৰ গাঁৱৰ ঐতিহ্যমণ্ডি অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ যে লুইতৰ বুকুত জাহ যাব সেয়া ধ্ৰুৱপ। লুইত